# চৰকাৰী ভ্ৰমণত ভাৰতলৈ কাতাৰৰ প্ৰধানমন্ত্ৰী (ডিচেম্বৰ ০৩,২০১৬)

২৪ নভেম্বৰ ২০১৬

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণত কাতাৰৰ ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰী আৰু আভ্যন্তৰীণ মন্ত্ৰী মহামান্য শেখ আব্দুল্লা বিন নাসেন বিন খালিফা আল তানি অহা ৩ ডিচেম্বৰ তাৰিখে ভাৰতলৈ চৰকাৰী ভ্ৰমণত আহিব ।ভ্ৰমণ কালত কাতাৰৰ পদাধিকাৰীসকল প্ৰধানমন্ত্ৰীৰ সৈতে আহিব আৰু দুয়োদেশৰ মাজৰ পাৰস্পাৰিক স্বাৰ্থ জড়িত বিষয়সমুহ সমুহৰ সম্বন্ধে দ্বিপাক্ষীক,আঞ্চলিক আৰু বহুমুখী বিষয়সমুহৰ প্ৰসংগত আলোচনা কৰিব ।

মহামান্য শ্বেখ আব্দুলাৰ এইয়া প্ৰথম ভাৰত ভ্ৰমণ আৰু বিগত দুটা বছৰৰ ভিতৰত দুয়োদেশৰ মাজত তৃতীয়বাৰৰ বাবে শীৰ্ষপৰ্যায়ৰ দ্বিপাক্ষীক আলোচনা,যিটোৱে প্ৰমাণিত কৰে কাতাৰৰ সৈতে ভাৰতৰ ক্ৰমবৰ্ধমান সম্পৰ্কৰ বিষয়ে ।কাতাৰৰ আমিৰ ৰাজাধিৰাজ শ্বেখ তামিম বিন হামাদ অল তানি’ৰ ২০১৫ চনৰ মাৰ্চ মাহত কৰা ভাৰত ভ্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে জুন ২০১৬ ত কাতাৰ ভ্ৰমণ কৰে ।

কাতাৰৰ সৈতে আমাৰ ঘণিষ্ঠ আৰুবন্ধুত্বপূৰ্ণ সম্বন্ধ পাৰস্পাৰিক বাণিজ্যিক বিনিময় আৰু বিস্তাৰিত মানুহৰ সৈতে মানুহৰ সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে ।উপসাগৰীয় অঞ্চলত কাতাৰ আমাৰ একমাত্ৰ গুৰুত্বপূৰ্ণ বাণিজ্যিক অংশীদ্বাৰ নহয, এই দেশ আমাৰ বৃহততম এলএনজি সৰহবৰাহকাৰী ,২০১৫-১৬ চনত মুঠ আমদানিৰ ৬৬ শতাংশ সৰহবৰাহকাৰী ।

কাতাৰত ভাৰতীয়ৰ বৃহততম প্ৰবাসী সম্প্ৰদায় বাস কৰি আছে  আৰু অতিথি দেশখনৰ অগ্ৰগতি আৰু বিকাশৰ দিশত তেওঁলোকৰ অবদান বিশেষভাৱে স্বীকৃত । কাতাৰত ৬৩,০০০০ ৰ অধিক ভাৰতীয় জনসাধাৰন কৰ্মৰত হৈ আছে ।

নতুন দিল্লী

২৪ নবেম্বৰ ২০১৬